# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-03-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

---

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। এই অনুসৰি ৭টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৪ জুনত ভোটগণনা কৰা হ'ব। অসমত ৩টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিল, দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিল আৰু তৃতীয় পৰ্যায়ত ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ বাবে অহা ২০ মাৰ্চত অধিসূচনা জাৰি কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ আৰু মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন ৩০ মাৰ্চ ধাৰ্য কৰা হৈছে। ৰাজ্যখনত নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰা হৈছে। একেদৰে দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। আয়োগে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে কেইখনমান ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচীও প্ৰকাশ কৰে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীত এই বিষয়ে ঘোষণা কৰে। তেওঁ কয় যে, দেশৰ সৰ্ববৃহৎ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বাবে আয়োগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

সমাগত লোকসভা নিৰ্বাচনত ৯৬ কোটি ৮০ লাখ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব আৰু ইয়াৰে ৪৭ কোটিৰো অধিক মহিলা ভোটদাতা। তদুপৰি ১ কোটি ৮২ লাখ নতুন ভোটদাতাই এইবাৰৰ নিৰ্বাচনত ভোটদান কৰিব।

দেশৰ ১০ লাখ ৫০ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ৮৫ বছৰৰ ঊৰ্ধৰ আৰু ৪০ শতাংশ শাৰীৰিকভাৱে বাধাগ্ৰস্ততা থকা লোকে ঘৰৰ পৰা ভোটদান কৰিব পাৰিব। উল্লেখযোগ্য যে গুৰুতৰ অপৰাধৰ তথ্য থকা কোনো প্ৰাৰ্থীক নিৰ্বাচনত অৱতীৰ্ণ কৰোৱাব বিচাৰিলে ৰাজনৈতিক দলে সেই সন্দৰ্ভত বিতং যুক্তি দৰ্শোৱাব লাগিব। আয়োগে লগতে কয় যে, আসন্ন নিৰ্বাচন স্বচ্ছ নিকা, অবৈধ ধনৰ সৰবৰাহ মুক্ত আৰু ভুৱা তথ্যৰ প্ৰচাৰৰ পৰা মুক্তভাৱে পৰিচলনাৰ লগতে নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হোৱাটো নিশ্চিত কৰা হ'ব।

নিৰ্বাচনৰ সময়ত ধনৰ অবৈধ লেনদেন ৰোধ কৰাৰ বাবে বিধি বলৱৎকাৰী সংস্থাসমূহক কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। আয়োগে ৰাজনৈতিক দলসমূহক সামাজিক মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত দায়বদ্ধতা বজাই ৰাখিবলৈ পৰামৰ্শ আগবঢ়াইছে। ভুৱা বাতৰি প্ৰচাৰ কৰা সকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰকাশ কৰা হৈছে। তদুপৰি আয়োগে নিৰ্বাচন পৰিচালনা কৰা কৰ্তৃপক্ষসমূহলৈ ন্যূনতম কাকতৰ ব্যৱহাৰ আৰু সঠিক আৱৰ্জনা ব্যৱস্থাপনাৰ দ্বাৰা বহনক্ষম ৰূপত নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিছে। উল্লেখযোগ্য যে চলিত লোকসভাৰ কাৰ্যকাল ১৬ জুনত অন্ত পৰিব।

০০০০০

লোকসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ উদ্যোগত আজি কেন্দ্ৰটোৰ প্ৰেক্ষাগৃহত দিনজোৱা কাৰ্যসূচীৰে এখন কৰ্মশালা অনুষ্ঠিত হয়। বাতৰি বিভাগৰ জ্যেষ্ঠ, কনিষ্ঠ কৰ্মীসকলৰ বাবে আয়োজিত এই কৰ্মশালাত দি আছাম ট্ৰিবিউন কাকতৰ কাৰ্যবাহী সম্পাদক পি জে বৰুৱা আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভিযান্ত্ৰিক বিভাগৰ সঞ্চালক আৰ চি বড়োৱে অংশগ্ৰহণ কৰে। দুয়োগৰাকী সমল ব্যক্তিয়ে বাতৰি পৰিৱেশন শৈলী আৰু লোকসভা নিৰ্বাচনৰ সময়ছোৱাত বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত মানি চলিবলগীয়া নিয়মাৱলীৰ বিষয়ে বিতংভাৱে আলোচনা কৰে। ইয়াৰ পাছতে সামাজিক মাধ্যমৰ বিশেষজ্ঞ ছালিক খানে সামাজিক মাধ্যমৰ বিভিন্ন দিশ আৰু ইয়াৰ প্ৰয়োগ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। আকাশবাণীৰ বাবে বাতৰি পৰিৱেশনৰ বিষয়ে বক্তৃতা দিয়ে বাতৰি পৰিৱেশক উৎপল কুমাৰ দাস আৰু অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানৰ অন্তত আকাশবাণী গুৱাহাটীৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মা আৰু সংবাদদাতা আমিনুল হক জৰাদ্দাৰে আকাশবাণীৰ বাবে বাতৰি প্ৰস্তুত কৰা আৰু নিৰ্বাচনৰ সময়ত বাতৰি লিখাৰ ক্ষেত্ৰত ল'বলগীয়া সতৰ্কতাৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত অতিথিসকলক একোখন ফুলাম গামোচা আৰু একোটা ৰেডিঅ' প্ৰদানেৰে সম্ভাষণ জনোৱা হয়।

০০০০০

ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাক্তন বিষয়া নৱনীত কুমাৰ ছেহগালে আজি প্ৰসাৰ ভাৰতীৰ নতুন অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। শ্ৰী ছেহগাল ১৯৮৮ বেটছ্‌ৰ উত্তৰ প্ৰদেশ কেদাৰৰ অৱসৰপ্ৰাপ্ত আমোলা। প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ হিচাপে কাৰ্যকাল সম্পূৰ্ণ কৰি ২০২০ চনত এ সূৰ্য প্ৰকাশে অৱসৰ গ্ৰহণ কৰিছিল আৰু তেওঁৰ উত্তৰাধিকাৰী হিচাপে শ্ৰী ছেহগালক এই পদত নিযুক্তি দিয়া হয়। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ নেতৃত্বৰ নিৰ্বাচন কমিটিৰ অনুমোদনৰ পাছত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নৱনীত কুমাৰ ছেহগালক প্ৰসাৰ ভাৰতীৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে।

ইপিনে ভাৰতীয় তথ্য সেৱাৰ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে আকাশবাণী বাতৰি বিভাগৰ পৰৱৰ্তী সঞ্চালক প্ৰধানৰ দায়িত্বভাৰ গ্ৰহণ কৰিব। বিষয়াগৰাকী এই পদত অধিষ্ঠিত হ'বলগীয়া দ্বিতীয়গৰাকী অসমীয়া তথ্য সেৱাৰ বিষয়া।

০০০০০

নগাঁও জিলাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত সমাগত দৌল মহোৎসৱ উদযাপন প্ৰস্তুতি সন্দৰ্ভত আজি নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে সভাপতিত্ব কৰে।

০০০০০

সমাপ্ত